GOVERNMENT OF ASSAM
TRANSPORT DEPARTMENT
BLOCK D, 4TH FLOOR, JANATA BHAWAN,
DISPUR-06::GUWAHATI-06
Email ID: ***transport-department@assam.gov.in***

---

No. E-809978/8 Date: 08-07-2026

From : The Secretary to the Govt. of Assam,
Transport Department, Dispur-06.

To : The Secretary
Assam Legislative Assembly, Dispur

Sub : Submission of reply to the Unstarred Assembly Question No. 248 to be asked by Hon'ble MLA Shri Mehboob Muktar - regd.

Sir,

With reference to the subject cited above, I am directed to enclose herewith 150 nos. of cyclostyled numbers of Reply to the Unstarred Assembly Question No. 248 to be asked by Hon'ble MLA Shri Mehboob Muktar, for your kind information and necessary action.

The aforesaid Reply has been uploaded in the website http://cms.neva.gov.in.

Yours faithfully,
Digitally signed by
GAURAV UPADHYAY
Date: 08-07-2026
17:30:30

Enclo: As stated above.

Secretary to the Govt. of Assam,
Transport Department

Memo No. E-809978/8-A Date: 08-07-2026

Copy to:-

1. P.S. to the Commissioner & Secretary to the Govt. of Assam, Transport Department, for kind information of the Commissioner & Secretary.

By orders etc.,
**e-signed**
Secretary to the Govt. of Assam
Transport Department

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং - ২৪৮

উত্তৰ দিয়াৰ তাৰিখ : – ১০-০৭-২০২৬

*বিষয় ঃ* **পৰিবহন বিভাগৰ যাতায়ত ব্যৱস্থা সন্দৰ্ভত।** **বিধায়ক :** শ্ৰীমেহবুব মোক্তাৰ ঃ

## প্ৰশ্ন

মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ পৰা বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ সুবিধাৰ্থে ধিং-বটদ্ৰৱা-নগাঁও আৰু ধিং-গুৱাহাটী পথত নতুন ই-বাছ (E-Bus) বা অতিৰিক্ত বাছসেৱা আৰম্ভ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি ?

(খ) ধিঙত থকা পুৰণি বাছ আস্থানটোৰ যাত্ৰী সকলৰ বাবে জিৰণি কোঠা, শৌচাগাৰ আৰু খোৱাপানীৰ ব্যৱস্থাৰ বাবে বিভাগে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

(গ) ধিং সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ যাতায়ত ব্যৱস্থাটোক সুৰক্ষিত কৰিবলৈ আভ্যন্তৰীণ জল পৰিবহন (IWT) বিভাগৰ তৰফৰ পৰা কিমানখন চৰকাৰী ফেৰী, নাওঁ যোগান ধৰা হৈছে আৰু যাত্ৰীসকলৰ সুৰক্ষা দিবলৈ লাইফ জেকেট আদিকে ধৰি সকলো নিৰ্দেশনা বলবৎ কৰা হৈছেনে ?

## উত্তৰ

মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত চৰন বড়োদেৱে উত্তৰ দিব :

**(ক)** বৰ্তমান ধিং বটদ্ৰৱা-নগাঁও পথত ৰাইজৰ সেৱাৰ্থে এখন ডিজেলচালিত বাছ চলি আছে।বৰ্তমানে নগাঁও জিলাত চাৰ্জিং আন্তঃগাঁথনি গঢ় লৈ উঠা নাই আৰু সেয়েহে ধিং-গুৱাহাটী পথত ইলেক্ট্ৰিক বাছ সেৱা আৰম্ভ কৰিব পৰা হোৱা নাই।

**(খ)** অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত থকা পুৰণি বাছ আস্থানসমূহত যাত্ৰীসকলৰ বাবে যাৱতীয় সুবিধাসমূহৰ প্ৰয়োজন অনুসৰি অগ্ৰাধিকাৰ ভিত্তিত উন্নীতকৰণৰ ব্যবস্থা কৰি আহিছে। সেইঅনুসৰি ধিংত থকা পুৰণি বাছ আস্থানটো উন্নীতকৰণৰ জৰিয়তে যাত্ৰী সকলৰ বাবে জিৰণি কোঠা, শৌচাগাৰ আৰু খোৱাপানীৰ ব্যৱস্থাৰ বাবে নিগমে বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰিব।

**(গ)** আভ্যন্তৰীণ জল পৰিবহন (IWT) বিভাগত বৰ্তমান পৰ্যাপ্ত পৰিমাণৰ চৰকাৰী জাহাজ নাই | সেই হেতুকে ধিং সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীত যাতায়ত ব্যৱস্থাটোক সূচল কৰাৰ বাবে ধিং শিংৰী ঘাটত থকা নাৱৰীয়া সমূহক চৰকাৰে বিনামূলীয়াকৈ মেৰাইন ইঞ্জিন যোগান ধৰিছে, এই নাওঁ সমূহৰ ভিতৰত বৰ্তমান:

1. SB Gafur

2. SB Najim
3. SB Maa
4. SB NurJahan আৰু
5. SB Sib Sankar নাওঁ সমূহৰ দ্বাৰা যাত্ৰী পাৰাপাৰ কৰি থকা হৈছে |

এই নাওঁ সমূহত চৰকাৰে বিনামূলীয়াকৈ যাত্ৰী সকলৰ সুৰক্ষাৰ বাবে লাইফ জেকেট যোগান ধাৰিছে |

***************************************

(উক্ত প্ৰশ্নোত্তৰ অসম বিধান সভাৰ website https://cms.neva.gov.in/ ত উপলব্ধ কৰা হৈছে)